**<u>গৌহাটী উচ্চ ন্যায়ালয়</u>**

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

শ্ৰীলাতু দাস

......... আপীলকাৰী

-বনাম -

অসম ৰাজ্য

......... উত্তৰদাতা

**<u>ফৌজদাৰী আপীল নং ৫৫(জে) / ২০১৮</u>**

<u>ৰায়ৰ তাৰিখ:</u>

২৯/১০/২০১৯

**যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইন, ২০১২, ধাৰা ২৯ – আইনখনৰ ৩, ৫, ৭ আৰু ৯ নং ধাৰাত কোনো অপৰাধ সংঘটিত কৰা বা উচতনি দিয়া বা সংঘটিত কৰাৰ চেষ্টা কৰাৰ বাবে গোচৰৰ সন্মুখিন হোৱা ব্যক্তি – বিশেষ আদালতে এনে ব্যক্তিয়ে সংঘটিত কৰা বা উচতনি দিয়া বা সংঘটিত কৰাৰ চেষ্টা কৰা বুলি ধৰি লোৱা যদিহে ইয়াৰ ওলোটা প্ৰমাণ নহয় – আচামীৰ ওপৰত ওলোটাকৈ প্ৰমাণ কৰাৰ দ্বায়িত্ব প্ৰদান– ধাৰা ২৯ যে আচামীয়ে মৌন হৈ থকাৰ অধিকাৰৰ ওপৰত বাধাৰ সৃষ্টি কৰে – আইনখনৰ ধাৰা ২৯ ৰ অধীনত কৰা ধাৰণাই আচামীক যুক্তিসঙ্গত সন্দেহৰ উৰ্ধত দোষী সাব্যস্ত কৰিবলৈ অভিযোজন পক্ষক ইয়াৰ সচৰাচৰ দ্বায়িত্বৰ পৰা মুক্ত নকৰে।**

আমি যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইনৰ ধাৰা ২৯ৰ অধীনত কৰা ধাৰণাটোও লক্ষ্য কৰোঁ য'ত উল্লেখ আছে যে যেতিয়া কোনো ব্যক্তিৰ বিৰুদ্ধে এই আইনৰ ধাৰা ৩, ৫, ৭ আৰু ৯ৰ অধীনত কোনো অপৰাধ সংঘটিত কৰা বা উচতনি দিয়া বা সংঘটিত কৰাৰ চেষ্টা কৰাৰ বাবে গোচৰ চলোৱা হয়, তেতিয়া

বিশেষ আদালতে অনুমান কৰিব যে তেনে ব্যক্তিয়ে ক্ষেত্ৰ অনুসৰি অপৰাধ সংঘটিত কৰিছে বা অপৰাধ কৰাৰ উচতনি দিছে বা অপৰাধ কৰিবলৈ চেষ্টা কৰিছে, যদিহে ইয়াৰ বিপৰীত প্ৰমাণিত নহয়। ওপৰত উল্লেখিত বিধিগত ধাৰণা, যিটো আদালতে যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইনৰ ৩, ৫, ৭ আৰু ৯নং ধাৰাৰ অপৰাধৰ গোচৰত উত্থাপন কৰিবলৈ বাধ্য, অভিযুক্তৰ ওপৰত ওলোটাকৈ দ্বায়িত্ব জাপি দিয়ে, যিটো অপৰাধমূলক ন্যায়ৰ সাধাৰণ নীতি যে যুক্তিসংগত সন্দেহৰ উৰ্ধত দোষ প্ৰমাণ কৰাৰ দ্বায়িত্ব অভিযোজন পক্ষৰ ওপৰত অৰ্পিত আৰু আচামীৰ মৌন হৈ থকাৰ অধিকাৰ আছে, তাৰ ব্যতিক্ৰম। (দফা ২৪)

কিন্তু মনত ৰাখিব লাগিব যে ধাৰণা কৰাটোৱেই সাক্ষ্য নহয়, ই কেৱল অন্যান্য জ্ঞাত বা প্ৰমাণিত তথ্যৰ পৰা লোৱা তথ্যৰ অনুমানহে; আৰু সেইবাবেই, বিধিগত বা অন্য কোনো ধাৰণা কৰিবলৈ হ'লে প্ৰমাণিত তথ্যৰ অস্তিত্ব থাকিব লাগিব, যাৰ পৰা ধাৰণা এটা লৈ লব পাৰি। গতিকে যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইনৰ ২৯নং ধাৰা অনুসৰি কৰা ধাৰণাই যুক্তিসংগত সন্দেহৰ উৰ্ধত আচামীক দোষী সাব্যস্ত কৰাৰ সচৰাচৰ দ্বায়িত্বৰ পৰা অভিযোজন পক্ষক মুক্ত নকৰে। ই মাত্ৰ কিছু পৰিমাণে ইয়াৰ বোজা কমাই দিয়ে আৰু আচামীৰ ওপৰত সংশ্লিষ্ট বোজা জাপি দিয়ে। এটা ফৌজদাৰী গোচৰত আচামীৰ বিৰুদ্ধে অনা অভিযোগটো সঁচা বুলি প্ৰমাণ কৰিবলৈ নথিত যুক্তিসঙ্গত প্ৰমাণ আৰু সমল অনাৰ প্ৰাৰম্ভিক দ্বায়িত্ব সদায় বাবে অভিযোজন পক্ষৰ ওপৰত ন্যস্ত থাকে। এনে প্ৰমাণ বা সমলবোৰ নথিত আনি অভিযোজন পক্ষৰ গোচৰটো প্ৰাথমিক ভাৱে প্ৰতিষ্ঠা কৰাৰ পিছতহে কেৱল আদালতে যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইনৰ ধাৰা ২৯ৰ অধীনত ধাৰণা কৰিবলৈ বাধ্য হয় আৰু সেই পৰিস্থিতিত সেই ধাৰণাটোক খণ্ডন কৰাৰ দ্বায়িত্ব কেৱল আচামীৰ ওপৰত ন্যস্ত কৰা হয়। যদি আচামীয়ে ধাৰণাটোক খণ্ডন কৰিব

নোৱাৰে তেন্তে আদালতে যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইনৰ ৩, ৫, ৭ আৰু ৯ নং ধাৰাত অভিযুক্তক অপৰাধৰ দোষী সাব্যস্ত কৰাটো ন্যায্য হব।

আবেদনকাৰী হৈ যুক্তি প্ৰদৰ্শন কৰে: শ্ৰীযুত অৰুণাংশু ধৰ

উত্তৰদাতাৰ হৈ যুক্তি প্ৰদৰ্শন কৰে: শ্ৰীযুত এম্ ফুকন

**ৰায় আৰু আদেশ**

**ন্যায়াধীশ মিৰ আলফাজ আলী–**

১) আবেদনকাৰীৰ হৈ বিজ্ঞ এমিকাছ কিউৰী শ্ৰীযুত অৰুণাংশু ধৰে আগবঢ়োৱা যুক্তি শুনা হ'ল। লগতে অসম চৰকাৰক প্ৰতিনিধিত্ব কৰি বিজ্ঞ অতিৰিক্ত লোক অধিবক্তা শ্ৰীযুত এম্ ফুকনে দাঙি ধৰা যুক্তিও শুনা হ'ল।

২)এই আপীল শিৱসাগৰ জিলাৰ বিজ্ঞ সত্ৰ তথা বিশেষ ন্যায়াধীশে গোচৰ নং (পি) ২/২০১৭ ত দিয়া ৰায় আৰু আদেশক প্ৰত্যাহ্বান জনাই দাখিল কৰিছে । উক্ত ৰায়ৰ জৰিয়তে বিচাৰ আদালতৰ বিজ্ঞ ন্যায়াধীশে আপীলকাৰীক যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইন (পি.ও.চি.এচ.ও.) ২০১২ আইনৰ ধাৰা ৬ৰ অধীনত অপৰাধ সংঘটিত কৰাৰ বাবে তেওঁক দোষী সাব্যস্ত কৰি কৰিছিল আৰু আপীলকাৰীয়ে যাৱজ্জীৱন কাৰাবাস খটাৰ লগতে ২,০০০/– টকা জৰিমনা আৰু জৰিমনা অনাদায়ে আইনমতে কাৰাবাস খাটিব লাগিব বুলি উল্লেখ কৰিছিল ।

৩) বিচাৰৰ সময়ত অভিযোজন পক্ষই উত্থাপন কৰা গোচৰটো হল যে ১৩.০১.২০১৭ তাৰিখে বিহু উপলক্ষে এক ভোজ অনুষ্ঠিত হৈছিল আৰু তাত আপীলকাৰীও উপস্থিত আছিল। আচামী–আপীলকাৰীয়ে ভুক্তভোগীক ঘৰৰ বাহিৰৰ পৰা মুখত সোপা দি ওচৰৰ জংঘললৈ টানি লৈ গৈছিল আৰু তাইক ধৰ্ষণ কৰিছিল। বাবু দাসে (অভিযোজন পক্ষৰ ৮নং সাক্ষী) তেওঁৰ মাকৰ (অভিযোজন পক্ষৰ ৭নং সাক্ষী) চিঞৰ–বাখৰ শুনি বাহিৰলৈ ওলাই আহিছিল আৰু ঘটনাস্থলীৰ

পৰা ভুক্তভোগীক উদ্ধাৰ কৰিছিল। লগে লগে অভিযোজন পক্ষৰ ৮নং সাক্ষীয়ে আৰক্ষীক ফোনযোগে অৱগত কৰিছিল, যাৰ ভিত্তিত সাধাৰণ পঞ্জীত এটা দৰজ পঞ্জীয়ন কৰা হৈছিল। আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈছিল, অপৰাধৰ লগত জৰিত কিছুমান সামগ্ৰী উদ্ধাৰ কৰিছিল আৰু তদন্তৰ বাবে প্ৰাথমিক পদক্ষেপ গ্ৰহণ কৰিছিল আৰু তাৰ পিছদিনা ভুক্তভোগীৰ পিতৃয়ে (অভিযোজন পক্ষৰ ৯নং সাক্ষী) আনুষ্ঠানিক প্ৰতিবেদন দাখিল কৰে। ভুক্তভোগীৰ পিতৃয়ে দাখিল কৰা প্ৰতিবেদনক এজাহাৰ (এফ.আই.আৰ.) হিচাপে বিবেচনা কৰি আৰক্ষীয়ে প'ক্স' আইনৰ ৪ নং ধাৰাৰ অধীনত নাজিৰা (থানাৰ) গোচৰ নং ৭/১৭ পঞ্জীয়ন কৰিছিল আৰু তদন্ত আৰম্ভ কৰিছিল । তদন্তৰ সময়ত আৰক্ষীয়ে ভুক্তভোগীকে ধৰি সাক্ষীসকলৰ জৱানবন্দী লিপিবদ্ধ কৰিছিল, ভুক্তভোগী আৰু তেওঁৰ মাকৰ জৱানবন্দী দণ্ডাধীশে ফৌজদাৰী কাৰ্যবিধি সংহিতাৰ ১৬৪ ধাৰাৰ অধীনত লিপিবদ্ধ কৰিছিল, ভুক্তভোগীৰ লগতে আচামী-আপীলকাৰীক চিকিৎসা তথা পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছিল আৰু তদন্ত সমাপ্ত হোৱাৰ পিছত আচামী-আপীলকাৰীৰ বিৰুদ্ধে প'ক্স' আইনৰ ধাৰা ৪ৰ অধীনত অভিযোগপত্ৰ দাখিল কৰিছিল ।

৪) বিচাৰৰ সময়ত বিদ্বান বিশেষ ন্যায়াধীশগৰাকীয়ে আচামী-আপীলকাৰীৰ প'ক্স' আইনৰ ৬নং ধাৰাৰ অধীনত অভিযোগ গঠন কৰিছিল যিটো আচামী-আপীলকাৰীয়ে অস্বীকাৰ কৰিছিল।

৫) অভিযোগটো প্ৰমান কৰাৰ বাবে অভিযোজন পক্ষই ১১ জন সাক্ষীক পৰীক্ষা কৰিছিল। অভিযোজন পক্ষৰ সাক্ষ্য গ্ৰহণ সম্পূৰ্ণ হোৱাৰ পিছত আচামীজনক ফৌজদাৰী কাৰ্যবিধি সংহিতাৰ ধাৰা ৩১৩ৰ অধীনত পৰীক্ষা কৰা হৈছিল। ফৌজদাৰী কাৰ্যবিধি সংহিতাৰ ধাৰা ৩১৩ৰ অধীনত পৰীক্ষাৰ সময়ত আচামী-আপীলকাৰীয়ে নিৰ্দোষী বুলি দাবী কৰিছিল আৰু কৈছিল যে তেওঁ ঘটনাস্থলীত উপস্থিত নাছিল। সাক্ষ্য-প্ৰমাণৰ ভিত্তিত বিদ্বান বিচাৰ আদালতে আপীলকাৰীক

প’ক্স’ আইনৰ ৬ নং ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰে আৰু ওপৰত উল্লেখ কৰা অনুসৰি শাস্তি প্ৰদান কৰে।

৬) আমি দুয়ো পক্ষৰ পৰা বিদ্বান অধিবক্তাই দাঙি ধৰা যুক্তিসমূহ বিবেচনা কৰিছো।

৭) অভিযোজন পক্ষৰ ২নং সাক্ষী, ভুক্তভোগীয়ে সাক্ষ্যত উল্লেখ কৰিছিল যে তাইক তাইৰ মাতৃয়ে মাংস দিবলৈ দেবজিৎ গগৈৰ (অভিযোজন পক্ষৰ ৬নং সাক্ষী) ঘৰলৈ পঠিয়াইছিল আৰু সেই সময়ত আচামী লাটু দাসে নৃত্য কৰি আছিল আৰু আন কেইজনমানে আহাৰ প্ৰস্তুত কৰি আছিল। যেতিয়া তাই অভিযোজন পক্ষৰ ৬নং সাক্ষীক মাংসৰ বাটিটো দি উভতি আহিছিল, তেতিয়া আচামী-আপীলকাৰীয়ে তাইক ধৰিছিল আৰু তাইৰ মুখত সোপা দি জংঘললৈ টানি লৈ গৈছিল আৰু তাত আপীলকাৰীয়ে তাইক কাপোৰ খুলি ধৰ্ষণ কৰিছিল। তাই লগতে কৈছিল যে আচামী জনে তাইক হত্যা কৰাৰ ভাবুকি দিছিল আৰু তাই বাধা প্ৰদান কৰাত আচামী-আপীলকাৰীয়ে তাইক চৰ মাৰিছিল। তাই আকৌ কয় যে সেই সময়তে বাবু দাসৰ মাতৃ (অভিযোজন পক্ষৰ ৭নং সাক্ষী) য়ে চিঞৰ-বাখৰ কৰিছিল আৰু আচামী-আপীলকাৰী পলাই গৈছিল। জেৰাৰ সময়ত তাই কৈছিল যে তাই আচামী-আপীলকাৰীক চিনাক্ত কৰিছিল, কিন্তু প্ৰথমতে তেওঁৰ নাম নাজানিছিল আৰু পিছত তাই মাকৰ পৰা আচামী-আপীলকাৰীৰ নাম জানিব পাৰিছিল।

৮) ভুক্তভোগীৰ মাতৃ, অভিযোজন পক্ষৰ ১নং সাক্ষী বেবী শৰ্মাই সাক্ষ্য দি কৈছিল যে নিশা প্ৰায় ১১মান বজাত তেওঁ ভুক্তভোগীক অভিযোজন পক্ষৰ ৬নং সাক্ষীৰ ঘৰলৈ পঠিয়াইছিল। যেতিয়া ভুক্তভোগীগৰাকী ঘূৰি অহা নাছিল, তেওঁ তাইক বিচাৰি আছিল আৰু সেই সময়তে প্ৰশ্ৰাৱ/পায়খানা কৰিবলৈ যোৱা অভিযোজন পক্ষৰ ৭নং সাক্ষী আলপনা দাসে তেওঁৰ ঘৰৰ পিছফালে এটা চোৰ আছে বুলি চিঞৰ-বাখৰ কৰিছিল। অভিযোজন পক্ষৰ ৭নং সাক্ষীৰ চিঞৰ-বাখৰ শুনি তেওঁৰ

পুত্ৰ বাবু দাস (অভিযোজন পক্ষৰ ৮নং সাক্ষী) বাহিৰলৈ ওলাই আহিছিল। তেওঁও (অভিযোজন পক্ষৰ ১নং সাক্ষী) ঘটনাটো সংঘটিত হোৱা স্থানৰ ফালে আগবাঢ়ি আহিছিল আৰু ভুক্তভোগীৰ কান্দোন শুনি বাবু দাসে ঘটনাস্থলীলৈ গৈ ভুক্তভোগীক দাঙি লৈ তেওঁৰ হাতত অৰ্পণ কৰিছিল। তেওঁ লগতে কৈছিল যে তেওঁ ভুক্তভোগীৰ মুখমণ্ডল আৰু গোপন অংগত তেজৰ দাগ লক্ষ্য কৰিছিল। তেওঁ লগতে কয় যে ভুক্তভোগীগৰাকীৰ পিন্ধা সামগ্ৰী যেনে পেন্ট, চেন্দেল আদি বিচাৰি পোৱা নাছিল। ভুক্তভোগীগৰাকীক উদ্ধাৰৰ পিছত ৭নং সাক্ষীয়ে ফোনযোগে আৰক্ষীক অৱগত কৰে। তেওঁ কৈছিল যে সোধা-পোছা কৰাত ভুক্তভোগীয়ে কৈছিল যে আচামী লাটু দাসে তাইক ঘটনাস্থলীলৈ টানি লৈ গৈছিল আৰু তাই চিঞৰ-বাখৰ কৰিলে তাইক হত্যা কৰাৰ ভাবুকি দিছিল। আচামীজনে তাইক চৰ মাৰিছিল আৰু তাইৰ কাপোৰ খুলি তাইৰ লগত "বেয়া কাম" (যৌন কাৰ্য)চৰিতাৰ্থ কৰিছিল। এই সাক্ষীয়ে লগতে ভুক্তভোগীৰ ভৰিত আচোৰৰ চিন লক্ষ্য কৰা বুলি উল্লেখ কৰিছে। তেওঁ লগতে সাক্ষ্য দিছিল যে আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা আচামীজনৰ এ.টি.এম.কাৰ্ড, চালক অনুজ্ঞা পত্ৰ আদি কিছুমান সামগ্ৰী জব্দ কৰিছিল। যদিও এই দুয়োজন সাক্ষীকে ব্যাপকভাৱে জেৰা কৰা হৈছিল, তেওঁলোকৰ সাক্ষ্যত কোনো আসোঁৱাহ উলিয়াব পৰা নগল। ফৌজাদাৰী কাৰ্যবিধি সংহিতাৰ ১৬৪ ধাৰাৰ অধীনত লিপিবদ্ধ কৰা ১নং আৰু ২নং সাক্ষীৰ সাক্ষৰ পৰা দেখা যায় যে এই দুয়োজন সাক্ষীয়ে গোটেই বিচাৰ প্ৰক্ৰিয়াত তেওঁলোকৰ সাক্ষ্যত অবিচলিত হৈ আছিল।

৯) ৭নং সাক্ষী আলপনা দাসে সাক্ষ্য দিছিল যে নিশা প্ৰায় ১০/১১ মান বজাত তেওঁ প্ৰস্ৰাৱ কৰিবলৈ নিজৰ ঘৰৰ পিছফাললৈ গৈছিল আৰু এজন লোকক পলাই যোৱা লক্ষ্য কৰিছিল। তেওঁ ব্যক্তিজনক খেদি যাবলৈ চেষ্টা কৰিছিল আৰু তেওঁৰ পুত্ৰ বাবু দাসেও (৮নং সাক্ষী) তেওঁক অনুসৰণ কৰিছিল। পলাই যোৱা ব্যক্তিজনক খেদি যোৱাৰ সময়ত তেওঁ কোনোবাই "বচোৱা বচোৱা" বুলি চিঞৰা

শুনিছিল আৰু তাৰ পিছত ভুক্তভোগীক তেওঁৰ পুত্ৰই (৮নং সাক্ষী) ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰিছিল। তেওঁ লগতে কৈছিল যে ভুক্তভোগীগৰাকী সেই সময়ত উলংগ আছিল আৰু তেওঁ তাইৰ মুখমণ্ডল, কাণ আৰু চকুত আঘাতৰ চিন লক্ষ্য কৰিছিল। লগে লগে তাইক তাইৰ মাকৰ ওচৰলৈ লৈ যোৱা হৈছিল আৰু কিছু সময়ৰ পিছত তাত আৰক্ষী উপস্থিত হৈছিল। তেওঁ ঘটনাস্থলী আৰক্ষীক দেখুৱাইছিল আৰক্ষীয়ে সেই ঠাইৰ পৰা লাটু দাসৰ এযোৰ জোতা, এপাট হাৱাই চেন্দেল, টকা-পইচা লোৱা সৰু মোনা, পৰিচয় পত্ৰ আদি উদ্ধাৰ কৰিছিল। জেৰা কৰাৰ সময়ত এই সাক্ষীৰ সাক্ষ্যতো কোনা আসোৱাহ পোৱা নগল ও বস্তুগত তথ্যৰ ওপৰত তেওঁক তেওঁৰ সাক্ষ্যৰ পৰা বিচলিত কৰিব নোৱাৰিলে।

১০) ৭নং সাক্ষীয়ে সাক্ষ্য দিয়াৰ পিছত ৮নং সাক্ষী বাবু দাসে সাক্ষ্য দি কয় যে তেওঁৰ মাকক "চোৰ চোৰ" বুলি চিঞৰা শুনি তেওঁ টোপনিৰ পৰা উঠি ঘৰৰ পিছফাললৈ দৌৰি গৈছিল আৰু মাকক অনুসৰণ কৰি গৈ আছিল। মাকক অনুসৰণ কৰি গৈ থকাৰ সময়তে তেওঁ কানোবাই "বচোৱা বচোৱা" বুলি চিঞৰি থকা শুনিছিল আৰু ভুক্তভোগীক দেখা পাইছিল। তেওঁ ভুক্তভোগীক উলংগ অৱস্থাত উদ্ধাৰ কৰিছিল। তেওঁ লগতে কৈছিল যে তেওঁ তাইৰ গোপন অংগত তেজৰ দাগ আৰু তাইৰ নাক, কাণ আদিত আঘাত দেখিছিল। তেওঁক জেৰা কৰাৰ সময়ত এইটো অধিক নিশ্চিত কৰা হৈছিল যে তেওঁ ভুক্তভোগীক দাঙি লোৱাৰ সময়ত তাই উলংগ অৱস্থাত আছিল।

১১) ৬নং সাক্ষী শ্ৰীদেবজিৎ গান্ধীয়ে সাক্ষ্য দি কৈছিল যে তেওঁ ভুক্তভোগীৰ মাকক তেওঁৰ বাবে অলপ মান ৰন্ধা মাংস পঠিয়াবলৈ অনুৰোধ কৰিছিল আৰু ১নং সাক্ষীয়ে মাংস দিবলৈ ভুক্তভোগীক তেওঁৰ ঘৰলৈ পঠিয়াইছিল। ৬নং সাক্ষীৰ মতে ভুক্তভোগী গৰাকী উদ্ধাৰ হোৱাৰ পিছত তেওঁ বাহিৰলৈ ওলাই আহিছিল আৰু লক্ষ্য কৰিছিল যে তাইৰ কাপোৰবোৰ চিগা আৰু তাত ঘাঁহ লাগি আছিল আৰু তাই

কথা কব পৰা অৱস্থাত নাছিল। তেওঁ আৰু কৈছিল যে আৰক্ষীয়ে আলপনা দাস(৭নং সাক্ষী)ৰ বাসগৃহৰ পিছফাললৈ গৈ কিছুমান সামগ্ৰী যেনে- এযোৰ জোতা, এপাট হাৱাই চেন্দেল, টকা-পইচা লোৱা সৰু মোনা, ভোটৰ পৰিচয় পত্ৰ আৰু লাটু দাসৰ নামত থকা পেন কাৰ্ড উদ্ধাৰ কৰিছিল। তেওঁ আদালতত সেই সামগ্ৰীবোৰ বস্তুপ্ৰদৰ্শক ১,২,৩,৪,৫,৬,৭ আৰু ৮ হিচাপে চিনাক্ত কৰিছিল।

১২) ৪নং সাক্ষী শ্ৰীদেবজিৎ হাজৰিকাই সাক্ষ্য দি কৈছিল যে নিশা প্ৰায় ১১/১১-৩০ বজাত তেওঁ হুলস্থুল শুনি বাহিৰলৈ ওলাই আহিছিল আৰু তেওঁক ভুক্তভোগীৰ মাতৃয়ে কৈছিল যে আচামীয়ে তেওঁৰ ছোৱালীক ধৰ্ষণ কৰিছিল। তেওঁ লগতে ভুক্তভোগীৰ গোপন অংগত ৰক্তক্ষৰণ হোৱা আঘাত দেখা পোৱা বুলি সাক্ষ্য দিছিল। তেওঁ আৰু কৈছিল যে তেওঁ আৰক্ষীৰ সৈতে ঘটনাস্থলীলৈ গৈছিল, যত আৰক্ষীয়ে এযোৰ জোতা, এপাট হাৱাই চেন্দেল, এটা হালধীয়া অন্তৰ্বাস, এটা তিনি-চতুৰ্থাংশ দীঘল পেন্ট, সেউজীয়া ৰঙৰ স্লিক, মানি বেগ আৰু লাটু দাসৰ নামত থকা ভোটাৰ পৰিচয় পত্ৰ জব্দ কৰিছিল। তেওঁ আদালতত সেই সামগ্ৰীবোৰ বস্তুপ্ৰদৰ্শক ১,২,৩,৪,৫,৬,৭ আৰু ৮ হিচাপে চিনাক্ত কৰিছিল ।

১৩) ৩নং সাক্ষী ডাঃ আমিয় শইকিয়াই আচামী-আপীলকাৰীৰ শাৰিৰীক পৰীক্ষা কৰিছিল আৰু নিম্নলিখিত আঘাতবোৰ পাইছিলঃ

"মুখৰ বাওঁফালে থকা ৪টা ৰঙা ৰঙৰ চাল উঠি অহা ৩ ছে.মি. × ১ মিলিমিটাৰৰ ৰৈখিক আঘাত।"

১৪) চিকিৎসকজনৰ মতে, আঘাতবোৰ সাধাৰণ প্ৰকৃতিৰ আছিল। চিকিৎসকে লগতে মত প্ৰকাশ কৰিছিল আচামীজনৰ মুখত থকা আচোৰৰ চিহ্নবোৰ পোন আছিল আৰু এনে চিহ্ন স্পষ্টত আঙুলিৰ নখেৰে কৰা আঘাতৰ ফলত হৈছিল। ইয়াৰ উপৰিও জেৰাৰ সময়ত চিকিৎসজনে কৈছিল যে ভুক্তভোগীৰ শৰীৰত পোৱা আচোৰৰ চিন আন কিছুমান বস্তুৰে কৰা আঘাতৰ বাবেও হব পাৰে।

১৫) ৫নং সাক্ষী ড০ মুকুট চন্দ্ৰ ডেকাই ভুক্তভোগীক পৰীক্ষা কৰি ভুক্তভোগীৰ দেহত নিম্নলিখিত আঘাতবোৰ পাইছিলঃ "শক্তি প্ৰয়োগ কৰাৰ ফলত শৰীৰত পোৱা আঘাতৰ চিহ্ন-

১) সোঁ কৰঙণৰ মধ্যভাগত ২-৩টা চাল উঠি অহা সতেজ চিহ্ন (ওপৰে ওপৰে হোৱা) ।

২) ওপৰৰ ওঁঠৰ ঠিক ওপৰত আচোৰৰ আঘাত আৰু ওপৰৰ ওঁঠত তেজ গোট মৰা দেখা যায়।

৩) যোনিৰ সোঁ লেবিয়াৰ তলৰ পেশী ফাটি হোৱা আঘাত দেখা পোৱা যায়। ৰক্তক্ষৰণ হোৱা দেখা নগল।

৪) যোনিৰ ফৰ্চেট বিদিৰ্ণ হোৱা দেখা গল।

৫) যোনিৰ ৰঙা পৰা, তেজ ওলোৱাৰ লগতে হাইমেন বিদিৰ্ণ হোৱা দেখা গল।

*জননাংগৰ পৰীক্ষা*

যৌন কেশ -নাই। ভংগাকুৰ - স্বাভাৱিক।

লেবিয়া মেজ'ৰা আৰু মাইনোৰা – ভালদৰে বিকশিত হোৱা নাই ।

ফৰ্চেট- বিদিৰ্ণ হোৱা দেখা গৈছে। হাইমেন- বিদিৰ্ণ ।

যোনি-ৰঙা পৰা আৰু তেজ ওলোৱা দেখা যায়।

আঘাত-নাই। স্ৰাৱ আৰু দাগ-তেজৰ দাগ।

পৰীক্ষাগাৰৰ পৰীক্ষা-

যোনি স্মেয়াৰ পৰীক্ষা-শুক্ৰাণু দেখা নাযায়।

গৰ্ভাৱস্থা পৰীক্ষা (প্ৰস্ৰাৱত এইচ.চি.জি.)-প্ৰতিবেদনত প্ৰকাশ পাইছে-গৰ্ভ হোৱা নাই।

*ৰেডিঅ'লজিকেল পৰীক্ষাঃ*

বাওঁ হাতৰ কিলাকুটি আৰু হাতৰ মণিবন্ধৰ গাঁঠিৰ এক্স-ৰেত দুয়োডাল হাড়ৰ এপিফিচিছৰ সংযোজন অসম্পূৰ্ণ হোৱা দেখা যায় ।

১৬) চিকিৎসকে মত প্ৰকাশ কৰিছিল যে বলপূৰ্বক যৌন কাৰ্য্যৰ কৰাৰ বাবে চেষ্টা চলোৱাৰ প্ৰমাণ পোৱা গৈছিল। ভুক্তভোগীৰ শৰীৰত শক্তি প্ৰয়োগ কৰাৰ একাধিক চিহ্ন আছিল আৰু ভুক্তভোগীৰ বয়স আছিল প্ৰায় ৯ বছৰ। জেৰাৰ সময়ত গম পোৱা গৈছিল যে চাইকেল চলোৱা আৰু জপিওৱাৰ ফলতো হাইমেন ফাটি যাব পাৰে। জেৰাৰ সময়ত চিকিৎসকে আৰু কৈছিল যে কেৱল হাইমেন ফাটি যোৱাটোৱে যৌন সংগম কৰাৰ চূড়ান্ত প্ৰমাণ নহয়।

১৭) ৯নং সাক্ষী, ভুক্তভোগীৰ পিতৃ শ্ৰীপৰমানন্দ শৰ্মাই সাক্ষ্য দিছিল যে হুলস্থুল শুনি তেওঁ টোপনিৰ পৰা উঠি আহিছিল আৰু ভুক্তভোগীৰ পৰা ঘটনাটোৰ বিষয়ে জানিব পাৰিছিল। এই সাক্ষীয়ে লাটু দাসৰ জোতা, এযোৰ হাৱাই চেন্দেল, এটা হালধীয়া অন্তৰ্বাস, তিনি-চতুৰ্থাংশ দৈৰ্ঘৰ পেন্ট, সেউজীয়া ৰঙৰ স্লিক, মানি বেগ, লাটু দাসৰ নামৰ ভোটাৰ পৰিচয় পত্ৰ, এখন চালকৰ অনুজ্ঞা পত্ৰ আৰু এ.টি.এম কাৰ্ড জব্দ কৰাৰ বিষয়েও উল্লেখ কৰিছিল। জেৰাৰ সময়ত আচামী-আপীলকাৰীক তেওঁৰ চুবুৰীয়া বুলি গম পাইছিল।

১৮) ১০নং সাক্ষী শ্ৰীকৃষ্ণ বৰাই সাক্ষ্য দিছিল যে তেওঁ বাহিৰলৈ ওলাই অহাৰ সময়ত এগৰাকী মহিলাই "চোৰ চোৰ" বুলি চিঞৰ-বাখৰ কৰা শুনিছিল। তেওঁ

লক্ষ্য কৰিছিল যে উক্ত মহিলাগৰাকীৰ পুত্ৰই (৮নং সাক্ষী) ভুক্তভোগীক উলংগ অৱস্থাত লৈ আহিছে। তেওঁ লগতে ভুক্তভোগীৰ মুখমণ্ডল, শৰীৰ, ভৰি আৰু গোপন অংগত আঘাত হোৱা দেখা পোৱা বুলি সাক্ষ্য দিয়ে। তেওঁ আৰু সাক্ষ্য দিয়ে যে তেওঁ আৰক্ষীৰ সৈতে ঘটনাস্থলীলৈ গৈছিল, যত আৰক্ষীয়ে লাটু দাসৰ জোতা, এযোৰ হাৱাই চেন্দেল, এটা হালধীয়া অন্তৰ্বাস, তিনি-চতুৰ্থাংশ দৈৰ্ঘৰ পেন্ট, সেউজীয়া ৰঙৰ স্লিক, মানি বেগ, লাটু দাসৰ নামৰ ভোটাৰ পৰিচয় পত্ৰ, এখন চালকৰ অনুজ্ঞা পত্ৰ আৰু এ.টি.এম কাৰ্ড জব্দ কৰিছিল।

১৯) ১১নং সাক্ষী শ্ৰীনুৰ্তাজ আলী আছিল অনুসন্ধানকাৰী বিষয়া । তেওঁ সাক্ষ্য দিছিল যে অচিয়ে পোৱা এটা টেলিফোনিক খবৰৰ ভিত্তিত থানাৰ সাধাৰণ পঞ্জীত এটা দৰজ দিয়া হৈছিল আৰু তেওঁক বিষয়টোৰ তদন্ত কৰাৰ দায়িত্ব দিয়া হৈছিল। তেওঁ সাধাৰণ পঞ্জীৰ দৰজটো প্ৰদৰ্শক-৭ হিচাপে প্ৰমাণ কৰিছিল। ১১নং সাক্ষী য়ে আৰু সাক্ষ্য দিয়ে যে ঘটনাস্থলীলৈ আহি এযোৰ জোতা, এযোৰ হাৱাই চেন্দেল, এটা হালধীয়া অন্তৰ্বাস, তিনি-চতুৰ্থাংশ দৈৰ্ঘৰ পেন্ট, সেউজীয়া ৰঙৰ স্লিক, মানি বেগ, লাটু দাসৰ নামৰ ভোটাৰ পৰিচয় পত্ৰ, এখন চালকৰ অনুজ্ঞা পত্ৰ আৰু এ.টি.এম কাৰ্ড উদ্ধাৰ কৰে আৰু সেই সামগ্ৰীসমূহ জব্দনামা (প্ৰদৰ্শক-৪)ৰ জৰিয়তে জব্দ কৰে । তেওঁ লগতে ভুক্তভোগীৰ জন্ম প্ৰমাণপত্ৰ জব্দ কৰা বুলি উল্লেখ কৰিছিল যিখন প্ৰদৰ্শক-১১ হিচাপে প্ৰমাণিত হৈছিল। জেৰাৰ সময়ত এইটো গম পোৱা গৈছিল যে জব্দ কৰা সামগ্ৰীসমূহ ঘটনাস্থলীত সিচৰিত হৈ থকা অৱস্থাত পোৱা গৈছিল আৰু তেওঁৰ লগত থকা লোকসকলে সেই সকলোবোৰ সামগ্ৰী সংগ্ৰহ কৰাত সহায় কৰিছিল।

২০) বিদ্বান এমিকাস্ কিউৰী শ্ৰীযুত ধৰে ফৌজদাৰী কাৰ্যবিধিৰ ১৬৪ নং ধাৰাৰ অধীনত লিপিবদ্ধ কৰা ভুক্তভোগীৰ জবানবন্দীৰ কথা উল্লেখ কৰি দাবী কৰে যে ভুক্তভোগীয়ে নিজৰ পূৰ্বৰ জবানবন্দীত আচামীৰ নাম উল্লেখ কৰা নাছিল আৰু

সেয়েহে, আচামীক গোচৰত জৰিত কৰিবলৈ তেওঁৰ সাক্ষ্যৰ ওপৰত আস্থা প্ৰকাশ কৰিব নোৱাৰি।

২১) আমি ফৌজদাৰী কাৰ্যবিধিৰ ১৬৪নং ধাৰাৰ অধীনত লিপিবদ্ধ কৰা ভুক্তভোগীৰ জবানবন্দী সাৱধানে পৰীক্ষা কৰি দেখো যে তাই উক্ত জবানবন্দীত আচামীৰ নাম উল্লেখ কৰা নাছিল । অৱশ্যে আদালতত সাক্ষ্য দিয়াৰ সময়ত তাই আচামীজনক চিনাক্ত কৰিছিল। তাই লগতে কয় যে প্ৰথমতে তাই আচামীজনৰ নাম নাজানিছিল আৰু পিছলৈ তাই মাকৰ পৰা নামটো জানিব পাৰিছিল। ভুক্তভোগীৰ পিতৃ ৯নং সাক্ষীৰ সাক্ষ্যৰ পৰা জনা যায় যে আচামীজন তেওঁলোকৰ চুবুৰীয়া আছিল। ৯নং আৰু ২নং সাক্ষীয়ে সাক্ষ্য প্ৰদান কৰি কয় যে ঘটনাৰ ঠিক আগতে আচামীজন বিহুৰ ভোজত উপস্থিত আছিল। দৰাচলতে, আচামীজনে ফৌজদাৰী কাৰ্যবিধিৰ ৩১৩ নং ধাৰাৰ অধীনত লিপিবদ্ধ কৰা জবানবন্দীৰ সময়ত স্পষ্টভাৱে কৈছিল যে তেওঁও ভোজ উপভোগ কৰি আছিল আৰু পিছত নিজৰ ঘৰলৈ গুচি গৈছিল। উপৰোক্ত সাক্ষ্যবোৰে স্পষ্টভাৱে প্ৰমাণ কৰে যে আচামীজন ভুক্তভোগীৰ ওচৰ চুবুৰীয়া আছিল আৰু তেওঁ ভোজত উপস্থিত আছিল। সেয়েহে, ভুক্তভোগীয়ে আচামীজনক চিনাক্ত কৰিব নোৱাৰাৰ কোনো কাৰণ আমি বিচাৰি পোৱা নাই। ভুক্তভোগীৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি, এইটো স্বাভাৱিক যে তেওঁ হয়তো আচামীজনৰ নাম নাজানিব পাৰে, কিন্তু তথ্য আৰু পৰিস্থিতিৰ পৰা, আমি বিদ্বান এমিকাস কিউৰীৰ যুক্তি গ্ৰহণ কৰিব নোৱাৰো যে ভুক্তভোগীয়ে আচামীজনক চিনাক্ত কৰিব পৰা নাছিল যিজন তাইৰ ওচৰ চুবুৰীয়া আছিল। সেয়েহে, যেতিয়া ভুক্তভোগীয়ে নিজেই কৈছিল যে প্ৰথমতে তাই আচামীজনৰ নাম জনা নাছিল যিটো পিচত তাই মাকৰ পৰা জানিব পাৰিছিল, আমি তাইৰ পূৰ্বৰ জবানবন্দীত কোনো ত্ৰুটি বিচাৰি নাপাওঁ, য'ত তাই আচামী-আপীলকাৰীৰ নাম উল্লেখ কৰা নাছিল।

২২) ভুক্তভোগী অৰ্থাৎ ২নং সাক্ষীৰ সাক্ষ্য যে তাইৰ লগত বলপূৰ্বকভাৱে যৌন সংগম কৰা হৈছিল, সেই সাক্ষ্যক ১নং, ৪নং ৭নং আৰু ৮নং সাক্ষী, যিয়ে ঘটনা সংঘটিত হোৱাৰ ঠিক পিছতে ভুক্তভোগীৰ গোপন অংগকে ধৰি শৰীৰত আঘাত দেখিছিল, তেওঁলোকৰ সাক্ষ্যই সমৰ্থন কৰিছে। ভুক্তভোগীগৰাকীক পৰীক্ষা কৰা ৫নং সাক্ষী, ডাঃ মুকুট ডেকাই সাক্ষ্য দিছিল যে ভুক্তভোগীৰ গোপন অংগকে ধৰি শৰীৰত আঘাত পোৱা গৈছিল যাৰ পৰা বলপূৰ্বক যৌন কাৰ্য্যৰ কৰাৰ স্পষ্ট ইংগিত পোৱা গৈছিল। তেনেদৰে, চিকিৎসা সম্বন্ধীয় সাক্ষ্যসমূহেও ভুক্তভোগীৰ মৌখিক সাক্ষ্যৰ লগতে ১নং, ৪নং ৭নং আৰু ৮নং সাক্ষীৰ সাক্ষ্যক সম্পূৰ্ণৰূপে সমৰ্থন কৰে। ঘটনা সংঘটিত হোৱাৰ ঠিক পিছতে ৩নং সাক্ষী ডাঃ অমিয় শইকিয়াই আপীলকাৰীক পৰীক্ষা কৰি তেওঁৰ মুখত আঘাত দেখা পাইছিল তেওঁৰ মতে সেই আঘাত আঙুলিৰ নখেৰে আচোৰাৰ ফলত হৈছিল বুলি দিয়া স্পষ্ট সাক্ষ্যয়ো অভিযোজন পক্ষই ভুক্তভোগীক তাইৰ সন্মতি নোহোৱাকৈ বলপূৰ্বক যৌন নিৰ্যাতন কৰা হৈছিল বুলি দাখিল কৰা গোচৰটোক শক্তিশালী কৰিছে । ইয়াৰ উপৰিও, ঘটনাস্থলীৰ পৰা আচামীৰ মানি বেগ, ভোটাৰ পৰিচয় পত্ৰ, এ.টি.এম. কাৰ্ড ইত্যাদি উদ্ধাৰ কৰা কাৰ্যই অভিযোজন পক্ষৰ গোচৰটোক অধিক সমৰ্থন আগবঢ়াইছিল, যাৰফলত ঘটনাস্থলীত আচামীৰ উপস্থিতি যুক্তিসংগত সন্দেহৰ উৰ্ধত বুলি প্ৰতিষ্ঠা হৈছিল।

২৩) সেয়েহে, ২নং সাক্ষী (ভুক্তভোগী)ৰ মৌখিক সাক্ষ্য, চিকিৎসা প্ৰমাণৰ লগতে অন্যান্য প্ৰত্যক্ষ সাক্ষীৰ মৌখিক সাক্ষ্য, যেনে ১নং, ৪নং ৭নং আৰু ৮নং সাক্ষী, যিয়ে ঘটনা সংঘটিত হোৱাৰ ঠিক পিছতে ঘটনাস্থলীত উপস্থিত হৈছিল আৰু চিকিৎসা সাক্ষ্যৰ দ্বাৰা প্ৰমাণিত ভুক্তভোগীৰ শৰীৰত হোৱা আঘাত দেখিছিল, এইবোৰে সন্দেহৰ কোনো স্থল ৰখা নাই যে ভুক্তভোগী আচামী-আপীলকাৰীৰ দ্বাৰা বলপূৰ্বক যৌন আক্ৰমণৰ বলি হোৱা নাছিল।

২৪) আমি যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইনৰ ধাৰা ২৯ৰ অধীনত কৰা ধাৰণাটোও লক্ষ্য কৰোঁ য'ত উল্লেখ আছে যে যেতিয়া কোনো ব্যক্তিৰ বিৰুদ্ধে এই আইনৰ ধাৰা ৩, ৫, ৭ আৰু ৯ৰ অধীনত কোনো অপৰাধ সংঘটিত কৰা বা উচতনি দিয়া বা সংঘটিত কৰাৰ চেষ্টা কৰাৰ বাবে গোচৰ চলোৱা হয়, তেতিয়া বিশেষ আদালতে ধাৰণা কৰিব যে তেনে ব্যক্তিয়ে ক্ষেত্ৰ অনুসৰি অপৰাধ সংঘটিত কৰিছে বা অপৰাধ কৰাৰ উচতনি দিছে বা অপৰাধ কৰিবলৈ চেষ্টা কৰিছে, যদিহে ইয়াৰ বিপৰীত প্ৰমাণিত নহয়। ওপৰত উল্লেখিত বিধিগত ধাৰণা, যিটো আদালতে যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইনৰ ৩, ৫, ৭ আৰু ৯নং ধাৰাৰ অপৰাধৰ গোচৰত উত্থাপন কৰিবলৈ বাধ্য, অভিযুক্তৰ ওপৰত ওলোটাকৈ দ্বায়িত্ব জাপি দিয়ে, যিটো অপৰাধমূলক ন্যায়ৰ সাধাৰণ নীতি যে যুক্তিসংগত সন্দেহৰ উৰ্ধত দোষ প্ৰমাণ কৰাৰ দ্বায়িত্ব অভিযোজন পক্ষৰ ওপৰত অৰ্পিত আৰু আচামীৰ মৌন হৈ থকাৰ অধিকাৰ আছে, তাৰ ব্যতিক্ৰম। (দফা ২৪)

২৫) কিন্তু মনত ৰাখিব লাগিব যে ধাৰণা কৰাটোৱেই সাক্ষ্য নহয়, ই কেৱল অন্যান্য জ্ঞাত বা প্ৰমাণিত তথ্যৰ পৰা লোৱা তথ্যৰ অনুমানহে; আৰু সেইবাবেই, বিধিগত বা অন্য কোনো ধাৰণা কৰিবলৈ হ'লে প্ৰমাণিত তথ্যৰ অস্তিত্ব থাকিব লাগিব, যাৰ পৰা ধাৰণা এটা লৈ লব পাৰি। গতিকে যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইনৰ ২৯নং ধাৰা অনুসৰি কৰা ধাৰণাই যুক্তিসংগত সন্দেহৰ উৰ্ধত আচামীক দোষী সাব্যস্ত কৰাৰ সচৰাচৰ দ্বায়িত্বৰ পৰা অভিযোজন পক্ষক মুক্ত নকৰে। ই মাত্ৰ কিছু পৰিমাণে ইয়াৰ বোজা কমাই দিয়ে আৰু আচামীৰ ওপৰত সংশ্লিষ্ট বোজা জাপি দিয়ে। এটা ফৌজদাৰী গোচৰত আচামীৰ বিৰুদ্ধে অনা অভিযোগটো সঁচা বুলি প্ৰমাণ কৰিবলৈ নথিত যুক্তিসঙ্গত প্ৰমাণ আৰু সমল অনাৰ প্ৰাৰম্ভিক দ্বায়িত্ব সদায় অভিযোজন পক্ষৰ ওপৰত ন্যস্ত থাকে। এনে প্ৰমাণ বা সমলবোৰ নথিত আনি অভিযোজন পক্ষৰ গোচৰটো প্ৰাথমিক ভাৱে প্ৰতিষ্ঠা কৰাৰ

পিছতহে কেৱল আদালতে যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইনৰ ধাৰা ২৯ৰ অধীনত ধাৰণা কৰিবলৈ বাধ্য হয় আৰু সেই পৰিস্থিতিত সেই ধাৰণাটোক খণ্ডন কৰাৰ দ্বায়িত্ব কেৱল আচামীৰ ওপৰত ন্যস্ত কৰা হয়। যদি আচামীয়ে ধাৰণাটোক খণ্ডন কৰিব নোৱাৰে তেন্তে আদালতে যৌন অপৰাধৰ পৰা শিশুৰ সুৰক্ষা আইনৰ ৩, ৫, ৭ আৰু ৯ নং ধাৰাত অভিযুক্তক দোষী সাব্যস্ত কৰাটো ন্যায্য হব।

২৬) এই গোচৰটোত আপীলকাৰীয়ে কোনো সাক্ষ্য প্ৰদান কৰা নাই, কেৱল ফৌজদাৰী কাৰ্যবিধিৰ ৩১৩ নং ধাৰাৰ অধীনত কৰা পৰীক্ষাৰ সময়ত *এলিবিৰ* আবেদন উত্থাপন কৰাৰ এক দূৰ্বল প্ৰচেষ্টা কৰিছিল। কিন্তু এনে আবেদন প্ৰমাণ কৰিবলৈ আচামীয়ে কোনো সাক্ষ্য প্ৰদান কৰা নাই বা নথিতো আন কোনো সমল নাই। যদিও আচামীৰ প্ৰতিৰক্ষাৰ দাবী প্ৰমাণ কৰাৰ দ্বায়িত্ব অভিযোজন পক্ষই গোচৰ প্ৰমাণ কৰাৰ প্ৰয়োজনীয়তাৰ দৰে কঠোৰ নহয় আৰু সাধাৰণতে প্ৰতিৰক্ষাৰ দাবীটো সম্ভাব্যনীয়তাৰ প্ৰধ্যান্যতাৰ সংস্পৰ্শেৰে পৰীক্ষা কৰিব লাগে, এলিবিৰ আবেদন সম্ভাব্যনীয়তাৰ প্ৰধ্যান্যতাতকৈ উচ্চ মানদণ্ডৰ সাক্ষ্যৰ দ্বাৰা কঠোৰভাৱে প্ৰমাণিত কৰিব লাগিব। সাক্ষ্য এনে ধৰণৰ হ'ব লাগিব যাতে ঘটনাস্থলীত আচামীৰ উপস্থিতি সম্পূৰ্ণৰূপে নাকচ কৰিব পাৰি। এইৰ গোচৰটোত আচামীজনে এলিবিৰ আবেদন প্ৰমাণ কৰিবলৈ কোনো সাক্ষ্য প্ৰদান কৰা নাই। ইয়াৰ পৰিৱৰ্তে অভিযোজন পক্ষৰ দ্বাৰা গোচৰত দাখিল কৰা সাক্ষ্য যে ঘটনা সংঘটিত হোৱাৰ কেইমিনিটমান পূৰ্বে আচামী ঘটনাস্থলীৰ ওচৰতে আছিল, আচামীৰ এলিবিৰ আবেদনক মিছা বুলি প্ৰমাণিত কৰে। ইতিমধ্যে আমি লক্ষ্য কৰাৰ দৰে এই গোচৰটোত অভিযোজন পক্ষই কেৱল আদালতক ধাৰা ২৯ৰ অধীনত ধাৰণা কৰিবলৈ সক্ষম কৰাৰ বাবে সাক্ষ্য দাখিল কৰাই নহয়, বৰঞ্চ, আমাৰ বিবেচিত মতামত অনুসৰি ওপৰত আলোচনা কৰা সাক্ষ্যসমূহে আচামীৰ বিৰুদ্ধে অভিযোগটো যুক্তিসংগত সন্দেহৰ উৰ্ধত প্ৰমাণিত কৰিছে।

২৭) সেয়েহে, অভিযোজন পক্ষই দাখিল কৰা যথেষ্ট পৰিমাণৰ সাক্ষ্যৰ প্ৰতি লক্ষ্য ৰাখি, আচামীৰ বিৰুদ্ধে অভিযোগটো যুক্তিসংগত সন্দেহৰ উৰ্ধত প্ৰতিষ্ঠা কৰি, আমি বিদ্বান বিচাৰ আদালতৰ দ্বাৰা লোৱা দৃষ্টিভংগীৰ পৰা পৃথক দৃষ্টিভংগী লোৱাৰ কোনো কাৰণ বিচাৰি পোৱা নাই। সেই অনুসৰি, আমি প'ক্স' আইনৰ ৬ নং ধাৰাৰ অধীনত আচামী-আপীলকাৰীক দোষী সাব্যস্ত কৰা বিদ্বান সত্ৰ ন্যায়াধীশৰ বিবাদিত ৰায়ক বাহাল ৰাখিছো। অৱশ্যে, নথিত উপলব্ধ তথ্যসমূহ লক্ষ্য কৰি পাওঁ যে আবেদনকাৰীয়ে পূৰ্বে কোনো অপৰাধমূলক কাৰ্য কৰা নাছিল আৰু তেওঁৰ বয়সো কম, সেয়েহে বিদ্বান চেচন ন্যায়াধীশে প্ৰদান কৰা আজীৱন কাৰাবাস খটাৰ শাস্তি আমি দহ বছৰৰ সশ্ৰম কাৰাদণ্ডলৈ হ্ৰাস কৰোঁ, যদিও জৰিমনা আৰু জৰিমনা আনাদায়ে হব লগা শাস্তি একে ৰখা হয় ।

২৮) সেই অনুসৰি, কাৰাবাসৰ মূল শাস্তিৰ ক্ষেত্ৰত পৰিবৰ্তন কৰি এই আপীল আংশিকভাৱে মঞ্জুৰ কৰা হল।

২৯) নিম্ন আদালতৰ গোচৰৰ নথি ঘূৰাই পঠাওক।

ন্যায়াধীশ ন্যায়াধীশ

*অনুবাদক- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক*